**2021**

( Held in 2022 )

# ASSAMESE

## ( Modern Indian Language )

**( Asomiya Kabita )**

( Non-CBCS )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা এটা বাক্যত উত্তৰ দিয়া : ১×৭=৭

(ক) 'শৰৎ বৰ্ণনা' কাব্যাংশ ক'ৰ পৰা তুলি দিয়া হৈছে?

(খ) 'তেজৰে কমলাপতি' বৰগীতটো কি ৰাগত বন্ধা?

(গ) 'ব্ৰহ্মচাৰী' শব্দৰ অৰ্থ কি?

(ঘ) 'প্ৰতিমাৰ খনিকৰ' বুলি কাক কোৱা হয়?

(ঙ) 'কদমকলি' কাব্যগ্ৰন্থখনৰ কবি কোন?

(চ) অম্বিকাগিৰি ৰায়চৌধুৰী অসমীয়া সমাজত কি নামেৰে পৰিচিত?

(ছ) 'অচিনা' কাব্যগ্ৰন্থ কিমান চনত প্ৰকাশ হৈছিল?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) সাম্প্ৰতিক কবিতাৰ দুটি বৈশিষ্ট্য লিখা।

(খ) পৰ্বত সকলে সততে নকৰে
সৰ্ব ঠাইত জলদান।
যেন জ্ঞানী গুৰু শিষ্যত সমস্তে
নকহে গুপুত জ্ঞান॥

এই কাব্যাংশ কোনটো কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে? কবিতাটিৰ ৰচক কোন?

(গ) বৰগীত বুলিলে কি বুজা? বৰগীতৰ ভাষা কি?

(ঘ) কমলাকান্ত ভট্টাচাৰ্যই লিখা দুখন কাব্যৰ নাম লিখা।

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ কৰা : ৫×৩=১৫

(ক) চিন্তাৰ নিনাদে শুনিলো ই ধ্বনি
বিন্ধিলে শোকৰ জোঙাল শেলে,
প্ৰকৃতিয়ে দিয়া দেশৰ স্নেহটি
তেজ হৈ ঘনকৈ ধাৰেৰে বলে।

কোনে, কি প্ৰসঙ্গত এই কথাখিনি কৈছিল? বুজাই লিখা।

(খ) ৰোমান্টিক কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(গ) 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাটিৰ মূলভাৱ লিখা।





(ঘ) আধুনিক কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে লিখি 'মোৰ দেশ' কবিতাত সেই বৈশিষ্ট্য কেনেৰূপত চিত্ৰিত হৈছে, চমুকৈ লিখা।

(ঙ) কবি হিচাপে চন্দ্ৰকুমাৰ আগৰৱালাৰ বিষয়ে লিখা।

৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) 'শৰৎ বৰ্ণনা' কবিতাটোত শৰৎকালৰ প্ৰকৃতিৰ মনোৰম ৰূপ কবিয়ে কেনেদৰে বৰ্ণনা কৰিছে তোমাৰ ভাষাত লিখা।

(খ) 'তেজৰে কমলাপতি' বৰগীতটিত বাৎসল্য প্ৰেমৰ ভাৱ কেনেদৰে প্ৰকাশিত হৈছে আলোচনা কৰা।

(গ) 'পাহৰণি' কবিতাত কমলাকান্ত ভট্টাচাৰ্যৰ অন্তৰৰ বেদনা আৰু দেশাত্মবোধ কেনেদৰে প্ৰতিফলিত হৈছে বিচাৰ কৰা।

(ঘ) ৰোমান্টিক কবিতা হিচাপে 'নিয়ৰ' কবিতাটিৰ এক আলোচনা যুগুত কৰা।

(ঙ) অমূল্য বৰুৱাৰ 'বিপ্লৱী' কবিতাত কবিৰ বৈপ্লৱিক দৰ্শন কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

(চ) 'মোৰ দেশ' কবিতাত কবিৰ দেশাত্মবোধৰ স্বাক্ষৰ কেনেৰূপত ব্যঞ্জিত হৈছে বিচাৰ কৰা।

★★★